**2014**

# ASSAMESE

(MODERN INDIAN LANGUAGE)

**Full Marks : 100**

**Pass Marks : 30**

**Time : Three hours**

*The figures in the margin indicate full marks for the questions.*

১। তলৰ **যিকোনো সাতোটা** প্ৰশ্নৰ উত্তৰ কৰা ঃ ১×৭=৭

(ক) লক্ষ্মীনাথ বেজবৰুৱাই কোন স্থানত জন্ম লাভ কৰিছিল?

(খ) যতীন্দ্ৰনাথ দুৱৰাই কথাত ৰচনা কৰা পুথিখনিৰ নাম কি?

(গ) মানুহৰ সাৰ বস্তু কি?

(ঘ) 'মন্মট ভট্ট' কোন?

(ঙ) কৰ্ম কৰা কৌশলক ভগৱদ্গীতাত কি বুলি অভিহিত কৰা হৈছে?

(চ) **'মিনতি'** গল্পটো কোনখন গল্প সংকলনৰ পৰা লোৱা হৈছে?

(ছ) ৰমাকান্তই কোন শ্ৰেণীলৈ পঢ়িছিল?

(জ) প্ৰমথেশ বৰুৱাই কোন চনত **'দেৱদাস'** কথাছবি নিৰ্মাণ কৰি উলিয়াইছিল?

(ঝ) বসন্তৰোগ কিহৰ পৰা সৃষ্টি হয়?

২। তলৰ **যিকোনো সাতোটা** প্ৰশ্নৰ উত্তৰ কৰিবা ঃ ২×৭=১৪

(ক) মিলাৰামৰ মিতিৰ কেইজন আৰু তেওঁৰ কোন কোন ফালৰ?

(খ) যতীন্দ্ৰনাথ দুৱৰাই ৰচনা কৰা দুখন কবিতা পুথিৰ নাম লিখা।

(গ) ক'ত ক'ত শিক্ষালাভ কৰি আনন্দৰাম বৰুৱা অগাধ পণ্ডিত হৈছিল?

(ঘ) নীলকণ্ঠই দেৱাসুৰক কেনেকৈ পৰিত্ৰাণ কৰিছিল?

(ঙ) ব্যক্তিৰ দায়িত্বৰ পৰিধি কেনে ধৰণৰ?

(চ) উপনিষদৰ কৰ্ম-যোগ কি?

(ছ) ৰমাকান্তৰ বাপেক কেনেকুৱা প্ৰকৃতিৰ মানুহ আছিল?

(জ) **'চিৰাজ'** কথাছবি যুটীয়াভাবে পৰিচালনা কৰা পৰিচালক দুগৰাকী কোন?

(ঝ) বিশুদ্ধ খোৱাপানীৰ অভাৱত হ'ব পৰা *যিকোনো দুবিধ* ৰোগৰ নাম লিখা।

৩। তলৰ যিকোনো এটা প্ৰশ্নৰ উত্তৰ কৰিবা ঃ

৪×১=৪

(ক) কথা-কবিতা বুলিলে কি বুজা? ইয়াৰ *দুটা* বৈশিষ্ট্য লিখা।

(খ) ঈশোপনিষদৰ প্ৰথম মন্ত্ৰটিৰ বিধিবাক্যটো কি আৰু তাৰ অৰ্থ কেনেধৰণৰ?

(গ) নিমাতী কোন আছিল? তাই ৰমাকান্তলৈ কিয় চিঠি লিখিছিল?

৪। যিকোনো এটা প্ৰশ্নৰ উত্তৰ কৰিবা ঃ

৫×১=৫

(ক) আনন্দৰাম বৰুৱাৰ জীৱনৰ মূলমন্ত্ৰ কি আছিল?

(খ) 'বাতৰি কাকতবোৰেই হ'ল জ্ঞানলাভৰ উজু বাট' চমুকৈ বুজাই লিখা।

(গ) সপোনত দেখা ঘটনাবোৰ আৰু ইয়াৰ ফলাফল দাবীৰ ভিত্তি আছেনে?

৫। যিকোনো পাঁচটা প্ৰশ্নৰ উত্তৰ কৰিবা ঃ

১×৫=৫

(ক) বৰগীতসমূহ কি ভাষাত ৰচিত?

(খ) মফিজুদ্দিন আহমদ হাজৰিকাৰ মৰণোত্তৰভাবে প্ৰকাশিত কাব্যগ্ৰন্থখনিৰ নাম কি?

(গ) নলিনীবালা দেৱীয়ে সাহিত্য অকাডেমী বঁটা লাভ কৰা গ্ৰন্থখনৰ নাম কি?

(ঘ) 'সংহতি' শব্দটোৰ অৰ্থ কি?

(ঙ) 'কাঠমিস্ত্ৰীৰ ঘৰ' কবিতাটি কিমান চনত ৰচনা কৰিছিল ?

(চ) অঘোণৰ কুঁৱলীয়ে কি ভেটিছে?

(ছ) নৱকান্ত বৰুৱাই কোন চনত জন্মগ্ৰহণ কৰিছিল?

(জ) ড° নিৰ্মলপ্ৰভা বৰদলৈৰ প্ৰথম কবিতা পুথিখনৰ নাম কি?

৬। যিকোনো পাঁচটা প্ৰশ্নৰ উত্তৰ কৰিবা ঃ ২×৫=১০

(ক) বৰগীত কাক বোলে?

(খ) 'ত্ৰিলোক' বুলিলে কি বুজা যায়?

(গ) নিৰ্মলপ্ৰভা বৰদলৈৰ *দুখন* গৱেষণা গ্ৰন্থৰ নাম লিখা।

(ঘ) সুন্দৰৰ পূজা থাপনাত কবিয়ে কিহেৰে উপচাৰ যচাৰ কথা কৈছে?

(ঙ) আধুনিক অসমীয়া প্ৰগতিশীল কবিতাৰ প্ৰসংগত 'কাঠমিস্ত্ৰীৰ ঘৰ' কবিতাটি সম্পৰ্কে ড° হীৰেন গোহাঁইদেৱে কি মন্তব্য আগবঢ়াইছে?

(চ) কেশৱ মহন্তই শিশুৰ বাবে ৰচনা কৰা পুথি *দুখনৰ* নাম লিখা।

(ছ) নৱকান্ত বৰুৱাই কৰ্মজীৱন কটোৱা শিক্ষানুষ্ঠান *দুখনিৰ* নাম লিখা।

৭। **যিকোনো দুটা প্ৰশ্নৰ উত্তৰ কৰা ঃ** ৩×২=৬

(ক) গৰু চৰাবলৈ যাওঁতে কৃষ্ণই লগত কি কি বস্তু লৈ গৈছিল?

(খ) পৰমেশ্বৰৰ *তিনিটা* গুণ কি কি?

(গ) জ্যোতিপ্ৰসাদ আগৰৱালাৰ কবিতাৰ প্ৰধান বৈশিষ্ট্য *তিনিটা* লিখা।

(ঘ) আহিনৰ গোন্ধত কবিয়ে কাক পোৱা যেন অনুভৱ হয়?

৮। প্ৰসংগ-সংগতি দৰ্শাই ব্যাখ্যা কৰা ঃ **(যিকোনো এছোৱা)** ৪×১=৪

(ক) ধীৰে ধীৰে জীৱনৰ
বন্তি গছি আহিছে নুমাই ;
ধূপ-দীপ পুৰি গ'ল
ব্যৰ্থতাৰ সৌৰভ বিলাই।

(খ) আঘোণৰ আকাশেদি কোনোবা বিললে
মন কাঢ়ি বন-হাঁহ জাকি মাৰি গ'ল। ....
ৰাগি আছে
আঘোণৰ আকাশত ৰাগি আৰু ৰাগি।

(গ) যন্ত্ৰণা মোৰ জীয়াৰ মন্ত্ৰ
সেই মন্ত্ৰকে গালোঁ
জীয়াই থকাৰ ধেমালিটো মই
এবাৰেই খেলি গলোঁ।

৯। **যিকোনো দুটা প্ৰশ্নৰ উত্তৰ কৰিবা ঃ** ১×২=২

(ক) লেটিন ভাষাৰ **'ম'ৰীজ'** শব্দটোৰ অৰ্থ কি?

(খ) কৈশোৰকাল বুলিলে কোনচোৱা সময়ক বুজায়?

(গ) ভাৰত চৰকাৰে কোন চনত নতুন ৰাষ্ট্ৰীয় শিক্ষানীতি ঘোষণা কৰে?

১০। **যিকোনো দুটা প্ৰশ্নৰ উত্তৰ কৰা ঃ** ২×২=৪

(ক) প্ৰকৃতিবাদী দাৰ্শনিকৰ মতটি লিখা।

(খ) কেনেধৰণৰ কাৰ্যৰ কোনো মূল্য আছে বুলি ক'ব নোৱাৰি?

(গ) কৈশোৰ কালত কি কি ক্ষেত্ৰত জটিল পৰিবৰ্তন দেখা যায়?

১১। **যিকোনো এটা প্ৰশ্নৰ উত্তৰ কৰিবা ঃ** ৪×১=৪

(ক) ভাৰতীয় দৰ্শনে মূল্যবোধক কেইটা শ্ৰেণীত ভাগ কৰিছে? প্ৰতিটো শ্ৰেণীৰ বিষয়ে চমুকৈ লিখা।

(খ) কৈশোৰ কাল সম্পৰ্কে তোমাৰ পাঠ্যপুথিত উল্লেখ কৰা মতবাদ দুটি চমুকৈ লিখা।

১২। (ক) শব্দ-বিভক্তি কাক বোলে? অসমীয়াত শব্দ-বিভক্তি কেইপ্ৰকাৰৰ? প্ৰতিবিধৰ উদাহৰণ দি প্ৰয়োগ দেখুওৱা। ২+১+৩=৬

*অথবা*

(খ) কাৰক কাক বোলে? অসমীয়াত কাৰক কেইবিধ? প্ৰতিবিধৰ উদাহৰণসহ বুজাই লিখা। ২+১+৩=৬

১৩। (ক) নিৰ্দিষ্টতাবাচক প্ৰত্যয় বুলিলে কি বুজা? অসমীয়া ভাষাৰ *চাৰিটা* নিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰ প্ৰয়োগসহ উদাহৰণ দিয়া। ২+৪=৬

*অথবা*

(খ) তলত দিয়া **যিকোনো তিনিটা** শব্দৰ প্ৰত্যয় ভাঙি কি প্ৰত্যয় যোগ হৈছে লিখা ঃ ২×৩=৬

খজুৰতি, জিৰণীয়া, ভাৱৰীয়া, ফপৰা, খুলীয়া, এলেহুৱা

১৪। তলত দিয়া খণ্ডবাক্যবোৰৰ অৰ্থ লিখি একোটাকৈ বাক্যৰচনা কৰা ঃ **(যিকোনো চাৰিটা)** ২×৪=৮

ঘৰ গোণা, পানীৰ মিঠৈ, সোণৰ সোলেং, আঁচলৰ ধন, শঠা মিতিৰ, পাবত গজা, পেট কুলি।

১৫। তলত দিয়া **যিকোনো এটি** বিষয় লৈ এখন ৰচনা লিখা ঃ ১৫

(ক) ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা

(জন্ম — শিক্ষা আৰু কৰ্মজীৱন — সাহিত্যিক অৱদান — সামাজিক-সাংস্কৃতিক অৰিহণা — সামৰণি)

(খ) মানৱ সমাজলৈ বিজ্ঞানৰ অৱদান

(আৰম্ভণি — বিজ্ঞানৰ ক্ৰমবিকাশ — বিভিন্ন ক্ষেত্ৰলৈ বিজ্ঞানৰ অৱদান — দৈনন্দিন জীৱনত বিজ্ঞান — বিজ্ঞানৰ উপকাৰ-অপকাৰ — সামৰণি)

(গ) অসমৰ প্ৰাকৃতিক সৌন্দৰ্য

(আৰম্ভণি — প্ৰাকৃতিক সৌন্দৰ্যৰ বৰ্ণনা — ঋতু পৰিবৰ্ত্তন আৰু প্ৰকৃতিৰ পৰিবৰ্ত্তন — মানুহৰ ওপৰত প্ৰকৃতিৰ প্ৰভাৱ — সামৰণি)

(গ) মাতৃভাষা শিক্ষাৰ প্ৰয়োজনীয়তা

(আৰম্ভণি — মাতৃভাষা শিক্ষাৰ বৈজ্ঞানিক ভিত্তি — মাতৃভাষা মাধ্যমত শিক্ষাপ্ৰদানৰ ইতিবাচক দিশ — মাতৃভাষা আৰু স্বদেশপ্ৰেম — সামৰণি)

———×———